অসম

ৰুদ্ৰেশ্বৰ দেৱালয়, আহোম স্থাপত্যৰ অনন্য নিদৰ্শন

আহোম স্বৰ্গদেউ প্ৰমত্ত সিংহই পিতৃ ৰুদ্ৰ সিংহৰ স্মৃতিত ১৭৪৯ খ্ৰীষ্টাব্দত নিৰ্মাণ কৰাইছিল ৰুদ্ৰেশ্বৰ দেৱালয়।

প্ৰকাশ: ১১ নৱেম্বৰ ২০২৬, আবেলি ৫:৫৪



উত্তৰ গুৱাহাটী, ১১ নৱেম্বৰ: ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত অৱস্থিত ঐতিহাসিক উত্তৰ গুৱাহাটীৰ ৰুদ্ৰেশ্বৰ দেৱালয় আহোম যুগৰ ইতিহাস, পিতৃৰ প্ৰতি পুত্ৰৰ শ্ৰদ্ধা আৰু স্থাপত্যকলাৰ এক উল্লেখযোগ্য নিদৰ্শন। আহোম স্বৰ্গদেউ প্ৰমত্ত সিংহই পিতৃ স্বৰ্গদেউ ৰুদ্ৰ সিংহৰ স্মৃতিত ১৭৪৯ খ্ৰীষ্টাব্দত এই শিৱ মন্দিৰ নিৰ্মাণ কৰাইছিল।

স্বৰ্গদেউ ৰুদ্ৰ সিংহই ১৬৯৬ চনৰ পৰা ১৭১৪ খ্ৰীষ্টাব্দলৈ আহোম ৰাজ্য শাসন কৰিছিল। অসম চৰকাৰৰ পুৰাতত্ত্ব সঞ্চালকালয়ৰ তথ্য অনুসৰি, ৰুদ্ৰ সিংহৰ মৃত্যুৰ স্থানতে তেওঁৰ পুত্ৰ প্ৰমত্ত সিংহই দেৱালয়খন নিৰ্মাণ কৰাইছিল।

ঐতিহাসিক বিৱৰণ অনুসৰি, ৰুদ্ৰ সিংহই শাসনকালৰ শেষৰ ফালে আহোম ৰাজ্যৰ সীমা পশ্চিমলৈ কৰতোৱা নদীলৈকে বিস্তাৰৰ পৰিকল্পনা কৰিছিল। এই অভিযানৰ বাবে বৃহৎ সামৰিক শক্তি গঠনৰ প্ৰস্তুতিও চলিছিল। কাছাৰ আৰু জয়ন্তীয়াৰ শাসকসকলৰ সহযোগিতাৰ কথাও বিৱৰণত উল্লেখ আছে।

কিন্তু অভিযান সম্পূৰ্ণ হোৱাৰ পূৰ্বেই অসুস্থ হৈ ১৭১৪ চনৰ আগষ্ট মাহত গুৱাহাটীৰ শিবিৰত ৰুদ্ৰ সিংহৰ মৃত্যু হয়। তেওঁৰ মৃত্যুৰ পাছত জ্যেষ্ঠ পুত্ৰ শিৱ সিংহই সিংহাসনত আৰোহণ কৰে। পৰৱৰ্তী সময়ত দ্বিতীয় পুত্ৰ প্ৰমত্ত সিংহই ১৭৪৪ চনত ৰাজপাটত বহে।

পিতৃৰ স্মৃতি যুগমীয়া কৰাৰ উদ্দেশ্যে প্ৰমত্ত সিংহই তেওঁৰ মৃত্যুৰ স্থানত শিৱ মন্দিৰ নিৰ্মাণৰ ব্যৱস্থা কৰে। ১৭৪৯ খ্ৰীষ্টাব্দত মন্দিৰটোৰ নিৰ্মাণ সম্পূৰ্ণ হয় আৰু ৰুদ্ৰ সিংহৰ নাম অনুসৰিয়েই ইয়াৰ নাম ৰুদ্ৰেশ্বৰ দেৱালয় ৰখা হয়। পৰৱৰ্তী সময়ত মন্দিৰখনৰ নামেৰেই অঞ্চলটোৰ নামো ৰুদ্ৰেশ্বৰ হয়।

দেৱালয়খনৰ স্থাপত্যত আহোম আৰু মোগল শৈলীৰ সংমিশ্ৰণ দেখা যায়। পুৰাতত্ত্ব সঞ্চালকালয়ৰ বিৱৰণ অনুসৰি, ওখ বৰ্গাকাৰ ভেটিৰ ওপৰত নিৰ্মিত মন্দিৰখনৰ মূল গাঁথনিত মন্দিৰ আৰু মোগল সমাধি-স্থাপত্যৰ বৈশিষ্ট্যৰ সংমিশ্ৰণ আছে। ১৮৯৭ আৰু ১৯৫০ চনৰ বিধ্বংসী ভূমিকম্পত দেৱালয়খন ক্ষতিগ্ৰস্ত হৈছিল বুলি স্থানীয় ঐতিহাসিক বিৱৰণত উল্লেখ আছে। তথাপি ই আজিও আহোম যুগৰ ইতিহাস আৰু স্থাপত্যৰ স্মৃতি বহন কৰি আহিছে।

১. ৰুদ্ৰ সিংহৰ স্মৃতি বিজড়িত মন্দিৰ

আহোম স্বৰ্গদেউ ৰুদ্ৰ সিংহই ১৬৯৬ৰ পৰা ১৭১৪ খ্ৰীষ্টাব্দলৈ শাসন কৰিছিল। অসম বুৰঞ্জীৰ এক গুৰুত্বপূৰ্ণ অধ্যায়ৰ সৈতে জড়িত তেওঁৰ নাম। অসম চৰকাৰৰ পুৰাতত্ত্ব সঞ্চালকালয়ৰ তথ্য অনুসৰি, ৰুদ্ৰ সিংহৰ মৃত্যুৰ স্থানতে তেওঁৰ পুত্ৰ প্ৰমত্ত সিংহই এই মন্দিৰ নিৰ্মাণ কৰাইছিল।

২. পশ্চিমলৈ ৰাজ্য বিস্তাৰৰ পৰিকল্পনা

বিভিন্ন ঐতিহাসিক বিৱৰণ অনুসৰি, ৰুদ্ৰ সিংহই তেওঁৰ শাসনকালৰ শেষৰ ফালে আহোম ৰাজ্যৰ সীমা পশ্চিমলৈ বিস্তাৰ কৰি কৰতোৱা নদী পৰ্যন্ত নিয়াৰ পৰিকল্পনা কৰিছিল। এই অভিযানৰ বাবে এক বৃহৎ সামৰিক শক্তি গঠন কৰাৰ প্ৰস্তুতিও চলিছিল। কাছাৰ আৰু জয়ন্তীয়াৰ শাসকসকলৰ সহযোগিতাৰ কথাও ঐতিহাসিক বিৱৰণত উল্লেখ আছে।

৩. গুৱাহাটীৰ শিবিৰতে মৃত্যু স্বৰ্গদেউৰ

পৰিকল্পিত অভিযান সম্পূৰ্ণ কৰাৰ পূৰ্বেই অসুস্থ হৈ পৰে স্বৰ্গদেউ ৰুদ্ৰ সিংহ। ১৭১৪ চনৰ আগষ্ট মাহত গুৱাহাটীৰ শিবিৰতে তেওঁৰ মৃত্যু হয়। তেওঁৰ মৃত্যুৰ পাছত জ্যেষ্ঠ পুত্ৰ শিৱ সিংহই সিংহাসনত আৰোহণ কৰে। পৰৱৰ্তী সময়ত ৰুদ্ৰ সিংহৰ দ্বিতীয় পুত্ৰ প্ৰমত্ত সিংহই ১৭৪৪ চনত ৰাজপাটত বহে।

৪. ১৭৪৯ চনত নিৰ্মাণ সম্পূৰ্ণ

পিতৃৰ স্মৃতি যুগমীয়া কৰাৰ উদ্দেশ্যে প্ৰমত্ত সিংহই ৰুদ্ৰ সিংহৰ মৃত্যুৰ স্থানত শিৱ মন্দিৰ নিৰ্মাণৰ ব্যৱস্থা কৰে। ১৭৪৯ খ্ৰীষ্টাব্দত মন্দিৰটোৰ নিৰ্মাণ সম্পূৰ্ণ হয়। পিতৃৰ নাম অনুসৰিয়েই মন্দিৰটোৰ নাম ৰখা হয় ৰুদ্ৰেশ্বৰ দেৱালয়।

পৰৱৰ্তী সময়ত মন্দিৰৰ নামেৰেই অঞ্চলটোৰ নামো ৰুদ্রেশ্বৰ হয়।

৫. আহোম আৰু মোগল স্থাপত্যশৈলীৰ সংমিশ্রণ

ৰুদ্রেশ্বৰ দেৱালয়ৰ স্থাপত্যত আহোম আৰু মোগল শৈলীৰ সংমিশ্রণ দেখা যায়। অসম চৰকাৰৰ পুৰাতত্ত্ব সঞ্চালকালয়ৰ বিৱৰণ অনুসৰি, মন্দিৰটো এটা ওখ বৰ্গাকাৰ ভেটিৰ ওপৰত নির্মিত। ইয়াৰ মূল গাঁথনিত মন্দিৰ আৰু মোগল সমাধি-স্থাপত্যৰ বৈশিষ্ট্যৰ সংমিশ্রণ দেখা যায়। এই বিশেষ গঠনশৈলীয়ে মন্দিৰটোক অসমৰ আন বহু ঐতিহাসিক মন্দিৰৰ পৰা পৃথক কৰি তুলিছে।

৬. ভূমিকম্পত ক্ষতিগ্রস্ত ঐতিহাসিক স্থাপত্য

১৮৯৭ আৰু ১৯৫০ চনৰ বিধ্বংসী ভূমিকম্পত ৰুদ্রেশ্বৰ দেৱালয় ক্ষতিগ্রস্ত হৈছিল বুলি স্থানীয় ঐতিহাসিক বিৱৰণত উল্লেখ পোৱা যায়। তথাপি আজিও এই দেৱালয়ে আহোম যুগৰ ইতিহাস আৰু স্থাপত্যৰ স্মৃতি বহন কৰি আহিছে।

উত্তৰ গুৱাহাটীৰ ৰুদ্রেশ্বৰ দেৱালয় কেৱল উপাসনাৰ স্থানেই নহয়, ই আহোম ইতিহাসৰ এক গুৰুত্বপূর্ণ স্মাৰক। পিতৃৰ স্মৃতিত নির্মিত এই মন্দিৰে আজিও স্বর্গদেউ ৰুদ্র সিংহ আৰু প্রমত্ত সিংহৰ ইতিহাস সোঁৱৰাই দিয়ে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/2156/rudreshwar-devalaya-ahom-history-north-guwahati